# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-08-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনৰ হিতাধিকাৰীসকলৰ ৰাজসাহায্যৰ বাবে ১২ হাজাৰ কোটি টকাত অনুমোদন দিছে।

২। আকাশবাণীযোগে প্ৰচাৰিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কি বাত অনুষ্ঠানে ইয়াৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে ৩৪ কোটি টকাৰো অধিক ৰাজহ সৃষ্টি কৰিছে।

৩। সমগ্ৰ দেশজুৰি আজি ভাতৃ আৰু ভগ্নীৰ মাজৰ বিশেষ বান্ধোনৰ উতসৱ ৰাখীবন্ধন উদযাপন কৰা হব।

৪। এছিয়া মহাদেশৰ আটাইতকৈ দীঘল মালবাহী ৰেল ৰুদ্ৰাষ্ট্ৰৰ পূৰ্ব পৰীক্ষণ সফলতাৰে সম্পন্ন হৈছে। ***আৰু***

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ইৰ এখন খেলত কালি নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে শ্বিলং লাজং দলক ২-১ৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনৰ হিতাধিকাৰীসকলৰ ৰাজসাহায্যৰ বাবে ১২ হাজাৰ কোটি টকাত অনুমোদন দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি নতুন দিল্লীত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে ইয়াৰ ফলত ১০ কোটি ৩৩ লাখৰো অধিক হিতাধিকাৰী উপকৃত হব। কেন্দ্ৰীয় চৰকাৰে ঘৰুৱা ব্যৱহাৰযোগ্য ৰন্ধন গেছৰ নিৰ্ধাৰিত হিতাধিকাৰীক প্ৰতি বছৰে ৯টা চিলিণ্ডাৰৰ বাবে ৩০০ টকাকৈ ৰাজসাহায্য প্ৰদান কৰিব। মন্ত্ৰীসভাই লগতে ৰাজহুৱা খণ্ডৰ তেল কোম্পানীলৈ ৩০ হাজাৰ কোটি টকাৰ ক্ষতিপূৰণত অনুমোদন দিছে বুলিও শ্ৰী বৈষ্ণৱে প্ৰকাশ কৰে। তিনিটা ৰাজহুৱা খণ্ডৰ তৈল বিপনন কোম্পানী আই অ চি এল, বি পি চি এল আৰু এইছ পি চি এললৈ

এই ধনৰাশি আৱণ্টন দিয়া হ'ব। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ১২টা কিস্তিত এই ধনৰাশি প্ৰদান কৰিব। তদুপৰি কাৰিকৰী শিক্ষাৰ বিভিন্ন দিশ আৰু গৱেষণাৰ বাবে ৪ হাজাৰ ২০০ কোটি টকাৰ আৱণ্টনতো মন্ত্ৰীসভাই অনুমোদন জনায়। কাৰিকৰী শিক্ষাৰ মান উন্নত কৰাৰ বাবে চৰকাৰে এই পদক্ষেপ হাতত লৈছে। ইয়াৰ অধীনত প্ৰায় ২৭৫টা চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত কাৰিকৰী প্ৰতিষ্ঠানক নিৰ্বাচিত কৰি সাহায্য প্ৰদান কৰা হ'ব।

কেন্দ্ৰীয় মন্ত্ৰীসভাই অসম আৰু ত্ৰিপুৰাৰ উন্নয়নৰ লক্ষ্যৰে চাৰিখন আঁচনিৰ অধীনত ৪ হাজাৰ ২৫০ কোটি টকাৰ আৱণ্টনত অনুমোদন জনায়। ৰাজ্য দুখনৰ আদিবাসী বসতিপ্ৰধান গাঁওসমূহৰ উন্নয়নৰ বাবে মন্ত্ৰীসভাই ৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। তেওঁ কয় যে এই দুখন ৰাজ্যত ইয়াৰ ফলত আন্তঃগাঁথনিৰ বিকাশ আৰু বিভিন্ন জীৱন ধাৰণৰ প্ৰকল্পই নতুন নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ লগতে উপাৰ্জন বৃদ্ধি হ'ব।

ooooo

আকাশবাণীযোগে প্ৰচাৰিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কি বাত অনুষ্ঠানে ইয়াৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে ৩৪ কোটি টকাৰো অধিক ৰাজহ সৃষ্টি কৰিছে। তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে কালি ৰাজ্যসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে প্ৰতিমাহে প্ৰচাৰ হোৱা মন কি বাতৰ খণ্ডসমূহৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে শিক্ষা, স্বাস্থ্য, পৰিৱেশ, উদ্ভাৱন আৰু সমাজ সেৱাৰ দৰে ক্ষেত্ৰসমূহত গুৰুত্বপূৰ্ণ সেৱা আগবঢ়োৱা নাগৰিকসকলৰ অনুপ্ৰেৰণামূলক কাহিনীসমূহৰ বিষয়ে প্ৰকাশ কৰে। আকাশবাণীৰ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক নেটৱৰ্কৰ জৰিয়তে পোনপটীয়াভাৱে প্ৰচাৰিত এই অনুষ্ঠান বৃহত সংখ্যক শ্ৰোতাই শুনে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে এই অনুষ্ঠান দূৰদৰ্শনৰ বিভিন্ন আঞ্চলিক ভাষাৰ চেনেলতো সম্প্ৰচাৰ কৰা হয়। তেওঁ কয়, যে ইউটিউব আৰু অটিটিকে ধৰি ডিজিটেল প্লেটফৰ্মত প্ৰচাৰৰ জৰিয়তে মন কি বাতৰ শ্ৰোতাৰ সংখ্যা উল্লেখনীয়ভাৱে বৃদ্ধি কৰা হৈছে। শ্ৰী মুৰুগানে কয়, যে তৃণমূল পৰ্যায়ত সফলতা লাভ কৰা ব্যক্তিসকলক তুলি ধৰাৰ লগতে ৰাষ্ট্ৰ নিৰ্মাণত অংশগ্ৰহণৰ বাবে নাগৰিকসকলক উতসাহিত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কি বাত অনুষ্ঠানে এখন ৰাষ্ট্ৰীয় মঞ্চ হিচাপে নেতৃত্ব দিছে।

ooooo

সমগ্ৰ দেশজুৰি আজি ভাতৃ আৰু ভগ্নীৰ মাজৰ বিশেষ বান্ধোনৰ উতসৱ ৰাখীবন্ধন উদযাপন কৰা হ'ব। এই দিনটো ভগ্নীসকলে ভাতৃৰ হাতত ৰং-বিৰঙী ৰাখী বান্ধি তেওঁলোকৰ

সুস্বাস্থ্য আৰু সমৃদ্ধি কামনা কৰে। ভাতৃসকলেও তেওঁলোকৰ ভগ্নীৰ সুৰক্ষাৰ পণ লোৱাৰ লগতে উপহাৰ দিয়ে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৱে ৰাখীবন্ধন উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে পৱিত্ৰ ৰাখীবন্ধনে ভাতৃ আৰু ভগ্নীসকলৰ মাজত স্নেহ আৰু বিশ্বাসৰ অনন্য বান্ধোনক প্ৰতিফলিত কৰে। তেওঁ কয় যে এই উৎসৱে সমাজৰ বাবে সমন্বয় আৰু একতাৰ বাৰ্তা প্ৰেৰণ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে এই ৰাখীবন্ধনে মানৱীয় প্ৰমূল্য আৰু ভাৰতৰ চহকী সাংস্কৃতিক পৰম্পৰা ৰক্ষাৰ সুবিধা প্ৰদান কৰাই নহয় বৰং মহিলাসকলক সন্মান কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে প্ৰতিগৰাকী লোককে সবল কৰি তোলে। শ্ৰীমতী মুৰ্মুৱে মহিলাসকলে সুৰক্ষিত অনুভৱ কৰাকৈ এখন সমৃদ্ধিশালী দেশ গঢ়ি তোলাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়।

ooooo

৪ দশমিক ৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ মালবাহী ৰে'ল ৰুদ্ৰাষ্ট্ৰৰ পূৰ্ব পৰীক্ষণৰ যোগেৰে ভাৰতীয় ৰে'লৱেই সফলতাৰ অন্য মাত্ৰা লাভ কৰিছে। এই ৰে'লখনে ঘণ্টাত ৪০ দশমিক ৫০ কিল'মিটাৰ গতিবেগেৰে৫ ঘণ্টা ১০ মিনিটত উত্তৰ প্ৰদেশৰ চান্দউলিৰ গাঞ্জখাউজা ৰে'ল ষ্টেচনৰ পৰা ঝাৰখণ্ডৰ গাৰৱালৈকে ২০৯ কিল'মিটাৰ পথ সামৰি লৈছে।মণ্ডল ৰে'ল প্ৰৱন্ধক উদয় সিং মীনাই কৈছে যে এই মালবাহী ৰে'লখনে ইষ্ট চেণ্টেল ৰেলৱেৰ পণ্ডিত দীনদয়াল মণ্ডলৰ পৰা ধানবাদ সংমণ্ডললৈ সামগ্ৰীৰ ক্ষীপ্ৰ বোজাই আৰু পৰিবহন কৰিব। ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰেলখনৰ পূৰ্ব পৰীক্ষণৰ ভিডিঅ' শ্বেয়াৰ কৰি কৈছে যে ৰুদ্ৰাষ্ট্ৰ হৈছে ভাৰতৰ ৪দশমিক ৫ কিল'মিটাৰ দৈৰ্ঘ্যৰ মালবাহী ৰে'ল।সামগ্ৰীৰ বোজাই আৰু পৰিবহনেৰে এই ৰেলখনে সময় যথেষ্ট ৰাহি কৰিব। শ্ৰী মীনাই কয় যে ৰুদ্ৰাষ্ট্ৰত তিনিটা দীঘল ৰেক সংযোগ কৰা হৈছিল। ৰেলখনত মুঠ ৩৪৫ টা ৱাগন সংযোগ কৰা হৈছে আৰু ইয়াৰে এটা খালী ৱাগনত ৭২ টন সামগ্ৰী বোজাই কৰা হৈছিল। দুটা সন্মুখ আৰু প্ৰতিটো ৰেকৰ শেষত এটাকৈ মুঠ ৫৯ টা ব'গীৰ শেষত ইঞ্জিন সংলগ্ন কৰা হৈছিল। মুঠ ৭ টা ইঞ্জিন ৰেলখনত ব্যৱহাৰ কৰা হৈছিল। এটা ৰেকত ৫৯ টা ব'গী আছিল। তেওঁ কয় যে, ৫ খন মালবাহী ৰেল ইখনৰ পিছত সিখনকৈ শাৰী পাতি থকাৰ দৰে আছিল আৰু প্ৰথমখন মালবাহী ৰেলত দুটা ইঞ্জিন আছিল।

ooooo

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে কিছু স্থানীয় কাৰকৰ বাবে সমগ্ৰ দেশতে বিলাহীৰ মূল্য বৃদ্ধি হৈছে। বিভিন্ন মাধ্যমত প্ৰকাশ হোৱাৰ দৰে

চাহিদা-যোগানৰ ভাৰসাম্যহীনতা অথবা উৎপাদন হ্ৰাস হোৱাৰ বাবে বিলাহীৰ মূল্য বৃদ্ধি হোৱা নাই। বিভাগে জনোৱা মতে, জুলাইৰ শেষ সপ্তাহৰ পৰা দেশৰ উত্তৰ আৰু উত্তৰ-পশ্চিম অঞ্চলত হোৱা প্ৰবল বৰষুণৰ বাবে দিল্লীত প্ৰতি কিলোগ্ৰাম বিলাহীৰ দাম ৭৩ টকালৈ বৃদ্ধি পাইছে।

বিলাহীৰ এনে অভাৱনীয় মূল্য বৃদ্ধিৰ পিছত ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংস্থাই  আজাদপুৰ মণ্ডীৰ পৰা বিলাহী ক্ৰয় কৰি গ্ৰাহকক কম মূল্যত যোগান ধৰিবলৈ চেষ্টা কৰিছে।  ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংস্থাই এতিয়ালৈকে প্ৰতি কিলোগ্ৰামত  ৪৭ৰ পৰা ৬০ টকাৰ ভিতৰত ২৭ হাজাৰ কিলোগ্ৰামতকৈ অধিক বিলাহী বিক্ৰী কৰিছে।

ooooo

স্বাধীনতা দিৱসৰ পূৰ্বে বিভিন্ন আইন বলৱতকাৰী সংস্থাসমূহৰ মাজত সহযোগিতা শক্তিশালী কৰাৰ উদ্দেশ্যে  কালি নতুন দিল্লীত বিভিন্ন ৰাজ্যৰ এখন সমন্বয় বৈঠক অনুষ্ঠিত হয়। দিল্লীৰ আৰক্ষী আয়ুক্ত এছ বি কে সিঙে অধ্যক্ষতা কৰা এই বৈঠকত হাৰিয়ানা, পাঞ্জাব, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, উত্তৰাখণ্ড, বিহাৰ, ৰাজস্থান আৰু চণ্ডিগড়ৰ আৰক্ষী বিষয়াসকলৰ লগতে কেন্দ্ৰীয় চোৰাংচোৱা আৰু বলৱতকাৰী সংস্থাৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। বৈঠকত শীৰ্ষ বিষয়াসকলে চোৰাংচোৱা তথ্যসমূহৰ লগতে সীমান্তত তালাচী তথা সন্দেহজনক দিশসমূহ নিৰীক্ষণকে ধৰি সন্ত্ৰাস বিৰোধী উপায়ৰ বিষয়ে অৱগত কৰে।

ooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ইৰ এখন খেলত কালি নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে শ্বিলং লাজং দলক ২-১ৰ ব্যাৱধানত পৰাস্ত কৰে। খেলখনৰ প্ৰথমাৰ্ধতে নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে ১-০ৰ অগ্ৰগতি লাভ কৰে। ইয়াৰ পাছত খেলৰ দ্বিতীয়াৰ্ধত শ্বিলং লাজঙে ৮১ মিনিটত এটা গল দি সমতা স্থাপন কৰে। যদিও ইয়াৰ খন্তেক পাছতে নৰ্থ-ইষ্ট ইউনাইটেডৰ ফৰৱাৰ্ড খেলুৱৈ আলাদ্দিন আজাৰিয়ে আন এটা গল দি দলটোক জয়ৰ দিশে লৈ যায়। এই জয়ৰ সুবাদত নৰ্থ-ইষ্ট ইউনাইটেড এফ চি প্ৰতিযোগিতাৰ গ্ৰুপ-ইৰ শীৰ্ষ স্থানত আছে।

ooooo

বেংককত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধৰ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত সাত গৰাকী মহিলাকে ধৰি মুঠ ১০ জন ভাৰতীয় বক্সাৰে কালি নিজ নিজ শাখাত চেমিফাইনেলত জয়লাভ কৰাৰ পাছত সোণৰ পদকৰ বাবে অৱতীৰ্ণ হব। মহিলা বক্সাৰ নিশাই ৫৪ কিলোগ্ৰাম শাখাত,

মচকানে ৫৭ কিলোগ্ৰাম, ভিনিয়ে ৬০ কিলোগ্ৰাম, নিশাই ৬৫ কিলোগ্ৰাম, আৰতী কুমাৰীয়ে ৭৫ কিলোগ্ৰাম, পাৰ্চি তোকাছে ৮০ কিলোগ্ৰাম আৰু মৌচম সুহাগে ৬৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত অৱতীৰ্ণ হ'ব। একেদৰে পুৰুষ শাখাত ৰাহুল কুণ্ডুৱে ৭৫ কিলোগ্ৰাম আৰু হেমন্ত চংৱানে ৯০ কিলোগ্ৰাম শাখাত অৱতীৰ্ণ হ'ব। কৃতিকাই ৮০ কিলোগ্ৰাম শাখাত পোনপটীয়াকৈ ফাইনেলত প্ৰৱেশ কৰে।

ooooo

সমাপ্ত

Rs MKB (09-08-2025, NSD.) Morn

**Asian Boxing U-19 (09-08-2025, NSD.) Morn**

**Durand Cup (09-08-2025, NSD.) Morn**

GOVT-TOMATO Price 9-8-25

oooo

**I Day Coordination (09-08-2025, NSD.) Morn**